গ্রেট ব্রিটেইনৰ চৰকাৰ ব্যৱস্থাৰ মৌলিক বৈশিষ্ট্যসমূহ (Basic Features) ঃ গ্রেট ব্রিটেইনৰ সংবিধান
ৰু ইয়াৰ সংসদীয় চৰকাৰ ব্যৱস্থাক পৃথিৱীৰ সকলো সংবিধান আৰু সংসদীয় পদ্ধতিৰ জননী বুলি বিবেচনা
া হয়। ব্রিটেইনৰ সংবিধানখনেই বিশ্বৰ ভিতৰত প্রাচীনতম আৰু একমাত্র অলিখিত সংবিধান। ব্রিটেইন চৰকাৰ
ৱস্থাৰ মৌলিক বৈশিষ্ট্যসমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

(১) গণতান্ত্রিক শাসন ব্যৱস্থা (Democratic Government) ঃ ব্রিটেইনত ৰাজতন্ত্র আৰু গণতন্ত্রৰ এক
শ্রিত শাসন ব্যৱস্থা থকা যেন অনুমেয় হ'লেও প্রকৃত অর্থত তাত গণতান্ত্রিক চৰকাৰ ব্যৱস্থাৰহে প্রচলন আছে।
দওবা ৰাষ্ট্রৰ মুৰব্বী হিচাপে ৰজা বা ৰাণী আছে, তথাপি তেওঁৰ কোনোধৰণৰ কার্যবাহী ক্ষমতা নাথাকে। সকলো
ক্ষত্রতে মন্ত্রীসভাৰ পৰামর্শ মতেহে ৰজাই কার্যনির্বাহ কৰিব লাগে। ধনী বা অভিজাত সম্প্রদায়টোক প্রতিনিধিত্ব
ৰা ব্রিটিছ সংসদৰ উচ্চ সদন লর্ডছ সভাৰো বিশেষ ক্ষমতা নাই ; গণতান্ত্রিক পদ্ধতিৰে নির্বাচিত সদস্যবর্গৰে
ঠিত কমন্স সভাইহে সকলোবিলাক ক্ষমতা উপভোগ কৰে। সার্বজনীন প্রাপ্তবয়স্ক ভোটাধিকাৰ, নির্বাচনী ব্যৱস্থা,
সংগঠিত বিৰোধী দলৰ অৱস্থিতি গ্রেট ব্রিটেইনত প্রচলিত আছে। সেয়েহে ব্রিটেইনৰ সংবিধান আৰু চৰকাৰ
ৱস্থাক গণতান্ত্রিক সংবিধান আৰু গণতান্ত্রিক চৰকাৰ বুলি কোৱা হয়।

(২) তত্ত্ব আৰু বাস্তৱৰ মাজৰ ব্যৱধান (Gap between Theory and Practice) ঃ ব্রিটেইনৰ চৰকাৰ
্যৱস্থাৰ আন এক মৌলিক বৈশিষ্ট্য হ'ল ইয়াৰ সাংবিধানিক অবাস্তৱতা, অর্থাৎ ব্রিটেইনৰ সংবিধানৰ বাহ্যিক ৰূপ
মাৰু ইয়াৰ অন্তর্নিহিত সত্যৰ মাজত এক বৃহৎ প্রাচীৰ আছে। তাত্ত্বিক দিশৰ পৰা চালে সাংবিধানিক ভাৱে ৰজা বা
াণী অসীম ক্ষমতাৰ গৰাকী। ব্রিটেইনৰ চৰকাৰক মহাৰাণীৰ চৰকাৰ হিচাপে জনা যায়। কিয়নো ৰজাই প্রধান মন্ত্রী
নিয়োগ কৰা, যুদ্ধ ঘোষণা কৰা, শান্তি চুক্তি সম্পাদন কৰা সৈন্যবাহিনীৰ সর্বাধিনায়ক হিচাপে বহু দায়িত্ব পালন
কৰে। কিন্তু বাস্তৱিক ক্ষেত্রত ৰজা-ৰাণীৰ তেনে কোনো ক্ষমতা নাই, ইবিলাক মাথোন ঐতিহাসিক ঘটনাহে। এই
সমগ্র ক্ষমতা ৰজা বা ৰাণীৰ নামত প্রধান মন্ত্রী সমন্বিতে মন্ত্রীসভাইহে ভোগ কৰে। সেইদৰে ব্রিটেইনত সংসদীয়
সার্বভৌমত্বক সাংবিধানিকভাৱে স্বীকৃতি প্রদান কৰা হৈছে যদিও বাস্তৱ ক্ষেত্রত মন্ত্রীসভাই প্রধান মন্ত্রীক নেতা
হিচাপে লৈ সংসদৰ কাম-কাজ আৰু সিদ্ধান্তক গভীৰভাৱে প্রভাৱিত কৰে। গতিকে ব্রিটেইনত যদিওবা দেখাত
ৰাজতন্ত্র আছে, গঠনৰ ফালৰ পৰা ই সীমিত ৰাজতন্ত্র আৰু বাস্তৱ ক্ষেত্রত গণতন্ত্র।

(৩) সংসদীয় চৰকাৰ (Parliamentary Government) ঃ ব্রিটেইনৰ গণতান্ত্রিক শাসন ব্যৱস্থাৰ আন
এক গুৰুত্বপূর্ণ বৈশিষ্ট্য হ'ল যে ই সংসদীয় প্রকৃতিৰ। এই সংসদীয় শাসন ব্যৱস্থাত ৰাষ্ট্রপ্রধান আৰু চৰকাৰপ্রধানৰ
মাজত প্রভেদ পৰিলক্ষিত হয়। ৰাষ্ট্রপ্রধান হৈছে ইংলেণ্ডৰ ৰাণী, আৰু চৰকাৰৰ প্রধান হৈছে ব্রিটিছ প্রধান মন্ত্রী।
ৰাষ্ট্রপ্রধানৰ হাতত কার্যপালিকা সম্পর্কীয় ক্ষমতা ন্যস্ত থাকে যদিও বাস্তৱ ক্ষেত্রত সেই ক্ষমতা ৰাষ্ট্রপ্রধানৰ হৈ

প্রধান মন্ত্রী সমন্বিতে মন্ত্রী সভাইহে উপভোগ কৰে। প্রধান মন্ত্রী সমন্বিতে মন্ত্রীসভাৰ সকলো সদস্য স নিম্নসদন কমন্স সভাৰ সংখ্যাগৰিষ্ঠ দলৰ সদস্য। তেওঁলোকে সংসদৰ আস্থাভাজন হৈ থকালৈকে পদত অ থাকিব পাৰে। যিহেতু মন্ত্রীসকল সংসদৰো সদস্য, গতিকে ব্রিটেইনৰ সংসদীয় চৰকাৰ ব্যৱস্থাত কার্যপালিকা আইন সভাৰ মাজত এক পাৰস্পৰিক সম্পর্ক পৰিলক্ষিত হয়। সংসদৰ সদস্যসকলে কার্যপালিকাক আ আৰু সমালোচনা কৰিব পাৰে। ব্রিটিছ সংসদীয় চৰকাৰ ব্যৱস্থাৰ তিনিটা উল্লেখনীয় বৈশিষ্ট্য হৈছে— (ক) ব্রিটে প্রকৃত ক্ষমতা এখন মন্ত্রীসভাৰ হাতত ন্যস্ত থাকে, য'ত প্রধান মন্ত্রীয়ে সভাপতিত্ব কৰে। (খ) ক্ষমতাৰ পৃথক্ী তত্ত্বক অনুসৰণ কৰা নহয় আৰু (গ) সংসদৰ নিম্ন সদন কমন্স সভাৰ সংখ্যাগৰিষ্ঠ সদস্যই চৰকাৰৰ ৰি অনাস্থা প্রস্তাৱ গ্রহণ কৰিলে চৰকাৰ অর্থাৎ মন্ত্রীসভাই পদত্যাগ কৰিবলৈ বাধ্য। উল্লেখযোগ্য যে, ইংল কার্যপালিকা আৰু আইন সভাৰ মাজত সংঘাতৰ সম্ভাৱনা নিচেই ক্ষীণ হোৱা পৰিলক্ষিত হয়। আৰু সে চৰকাৰৰ কার্যকলাপসমূহ মসৃণভাৱে পৰিচালিত হয়। ইংলেণ্ডত বর্তি থকা সংসদীয় চৰকাৰ ব্যৱস্থাৰ পৰিপ্রেক্ষিত ব্রিটিছ সংবিধানখনক পৃথিৱীৰ সকলো 'সংসদৰ জননী' বুলি আখ্যা দিয়া হয়।

(৪) সংসদীয় সার্বভৌমত্ব (Parliamentary Sovereignity) ঃ সংসদীয় সার্বভৌম ব্রিটেইনৰ চ ব্যৱস্থাৰ আন এক গুৰুত্বপূর্ণ বৈশিষ্ট। সংসদৰ সার্বভৌমত্ব হ'ল ব্রিটিছ সংবিধানৰ মূল ভিত্তি। ব্রিটেইনৰ কোনো আইন নাই যাক নেকি বৃটিছ সংসদে প্রণয়ন কৰিব বা নকৰিব পাৰে। ব্রিটিছ সংসদৰ আইনক অ ঘোষণা কৰিব পৰা কোনো ধৰণৰ আদালত নাই। ভাৰতবর্ষ আৰু আমেৰিকা যুক্তৰাষ্ট্রত থকাৰ দৰে গ্রেট ব্রিটে সাংবিধানিক কর্তৃত্ব আৰু আইন প্রণয়নিক কর্তৃত্বৰ মাজত কোনো বিধিগত প্রভেদ নাই। ব্রিটিছ সংসদেই আইন প্রণয়নিক আৰু সাংবিধানিক কর্তৃত্বৰ গৰাকী। ব্রিটিছ সংসদে সাধাৰণ আইন প্রণয়নৰ জৰিয়তে সিংহা উত্তৰাধিকাৰীক পৰিৱর্তন কৰাই নহয়, আনকি ৰজাই নিজৰ ৰুচি অনুসৰি কোনো এগৰাকী মহিলাক বিয়া কৰো নিষেধাজ্ঞ আৰোপ কৰিব পাৰে। সেয়েহে ডি. লোময়ে মন্তব্য কৰিছে যে 'ব্রিটিছ সংসদৰ ক্ষমতা ইমান বেছি পুৰুষক মহিলা আৰু মহিলাক পুৰুষ কৰাৰ বাহিৰে ই সকলো কৰিব পাৰে'। ব্রিটিছ সংসদে ৰাজতন্ত্রৰ অ ঘটাব পাৰে, সংসদৰ উচ্চ সদন লর্ডছ সভাত বংশানুক্রমিক পীয়েৰসকলক বঞ্চিত কৰাই নহয়, আনকি গো উচ্চ সদনকে বিলুপ্ত সাধন কৰিব পাৰে। প্রকৃতার্থত ক'বলৈ হ'লে ব্রিটিছ সংবিধানৰ বিষয়ে আশ্চর্যজনক তুলিব পৰা যিকোনো কার্যই ব্রিটিছ সংসদৰ কাৰণে সম্পাদন কৰাটো সম্ভৱপৰ। ব্রিটিছ সংসদে এই সকলো কার্য নির্বিঘ্নে সম্পাদন কৰিব পাৰে। যদিহে ব্রিটিছ সংসদৰ এই কার্যসমূহৰ বৈধতা প্রশ্ন উত্থাপিত হয় তেন্তে উত্তৰত ক'ব লাগিব যে ব্রিটিছ সংসদ সর্বোচ আৰু সার্বভৌম ক্ষমতাসম্পন্ন।

(৫) আইনৰ অনুশাসন (Rule of Law) ঃ আইনৰ অনুশাসন বৃটেইনৰ চৰকাৰ ব্যৱস্থাৰ অন্য মৌলিক বৈশিষ্ট্য। যদিওবা ইয়াক সংসদৰ দ্বাৰা প্রণোদিত বিধি নহয়, তথাপি সংসদৰ বিভিন্ন আইন, ন্যা সিদ্ধান্তসমূহ আৰু সাধাৰণ আইনবিলাকত আইনৰ শাসনৰ সুন্দৰ প্রতিফলন ঘটা পৰিলক্ষিত হয়। ব্রিটিছ সংবিধা নাগৰিকৰ মৌলিক অধিকাৰৰ বিধান নাই যদিও আইনৰ শাসনৰ জৰিয়তে নাগৰিকৰ অধিকাৰবিলাক ৰক্ষণাবে দিয়াৰ ব্যৱস্থা আছে। ব্রিটেইনৰ নাগৰিকসকল, আদালতবিলাক, প্রশাসনীয় বিষয়াবর্গ, ৰজা এই সকলোৱেই আই শাসনৰ অধীনত। **এ.ভি.ডাইছি (A.B.Dicey)** ৰ মতে আইনৰ শাসনে তিনিটা অর্থ সূচায়।— (ক) প্রচলিত আ ভংগ কৰা বুলি আদালতত প্রমাণিত নহ'লে কোনো ব্যক্তিক শাৰীৰিক আৰু বস্তুগতভাৱে শাস্তি প্রদান কৰিব নোৱাৰি অর্থাৎ আইন উলংঘন নকৰিলে কোনো লোকক আটকাধীন কৰিব নোৱাৰে। প্রচলিত আইন ভংগ কৰা বুলি প্রমাণি নোহোৱা পর্যন্ত কোনো ব্যক্তিক তেওঁৰ জীৱন আৰু সম্পত্তিৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব নোৱাৰিব। (খ) কো

ব্যক্তি আইনৰ ঊর্দ্ধত নহয়। অর্থাৎ সকলো ব্যক্তি আইনৰ চকুত সমান। সামাজিক মর্যাদা নতুবা প্রতিপত্তি আৰু সম্পত্তি নির্বিশেষে সকলো ব্যক্তি আইনৰ অধীন আৰু আইনে সকলাকে সমানভাৱে ৰক্ষণাবেক্ষণ দিব। (গ) ব্রিটিছ নাগৰিসকলৰ ন্যায়িক অধিকাৰসমূহ ন্যায়ালয়ৰ সিদ্ধান্তৰ জৰিয়তেহে সুৰক্ষিত কৰা হ'ব।

(৬) ৰাজতন্ত্র, অভিজাততন্ত্র আৰু গণতন্ত্রৰ সমাহাৰ (A blend of Monarchy, Aristocracy and Democracy) ঃ ব্রিটেইনৰ চৰকাৰ ব্যৱস্থাত ৰাজতন্ত্র, অভিজাততন্ত্র আৰু গণতন্ত্র এই তিনিবিধ শাসন ব্যৱস্থাই সংমিশ্রণ ঘটিছে। বংশানুক্রমিক নীতিৰ ভিত্তিত প্রতিষ্ঠিত ব্রিটিছ ৰাজপদে ৰাজতন্ত্রক প্রতিনিধিত্ব কৰিছে। একেদৰে লর্ডছ সভাই লর্ডছসকল আৰু সম্ভ্রান্ত শ্রেণীক প্রতিনিধিত্ব কৰাৰ জৰিয়তে অভিজাততন্ত্রৰ পোষকতা কৰিছে। অনুৰূপ ধৰণে জনসাধাৰণৰ দ্বাৰা নির্বাচিত প্রতিনিধিৰে গঠিত কমন্স সভাই গণতন্ত্রক প্রতিনিধিত্ব কৰিছে। যদিও এইটো সত্য যে ৰজাই হওক বা লর্ডছ সভাই হওক দেশৰ ৰাজনৈতিক প্রক্রিয়াত ফলপ্রসূ ভূমিকাত অৱতীর্ন হ'ব নোৱাৰে, তথাপিতো গণতন্ত্রৰ সফলতাৰ বাবে ইবিলাকৰ উপস্থিতি অত্যন্ত আৱশ্যকীয়। ব্রিটেইনৰ জনসাধাৰণে এই ঐতিহাসিকভাৱে প্রসিদ্ধ অনুষ্ঠানবিলাকক উৎখাত কৰিবলৈ মুঠেও আগ্রহী হোৱা পৰিলক্ষিত নহয়।

(৭) এককেন্দ্রিক চৰকাৰ ব্যৱস্থা (Unitary Government) ঃ গ্রেট ব্রিটেইনৰ সংবিধানে ব্রিটেইনত এককেন্দ্রিক চৰকাৰ ব্যৱস্থা কৰিছে। এককেন্দ্রিক চৰকাৰৰ মাতৃভূমি হিচাপেও ব্রিটেইনক অভিহিত কৰা হয়। যুক্তৰাষ্ট্র সংবিধানত থকাৰ দৰে ব্রিটেইনৰ সংবিধানখনে ব্রিটেইনত কোনো ধৰণৰ প্রাদেশিক নতুবা আঞ্চলিক চৰকাৰ প্রতিষ্ঠা কৰা নাই। প্রশাসনীয় সুচলতাৰ অর্থে সমগ্র দেশখনক কাউন্টি, আমোল আদি কেতবোৰ ভাগত যদিওবা বিভক্ত কৰা হৈছে তথাপি ইবিলাকক সাংবিধানিকভাৱে স্বীকৃতি প্রদান কৰা নাই। ব্রিটেইনত শাসন কার্যৰ সুবিধাৰ অর্থে স্থানীয় প্রশাসনিক গোটবিলাক গঠন কৰাৰ ব্যৱস্থা থাকিলেও সিবিলাকে সংবিধানৰ পৰিৱর্তে কেন্দ্রীয় চৰকাৰৰ পৰাহে ক্ষমতা লাভ কৰে। কেন্দ্রীয় চৰকাৰে যিকোনো সময়তে ইবিলাকৰ ক্ষমতা সংকোচিত কৰিব পাৰে। গতিকে ব্রিটেইনত স্থানীয় চৰকাৰৰ ব্যৱস্থা থাকিলেও সিবিলাকৰ ক্ষমতা আৰু অস্তিত্ব কেন্দ্রীয় চৰকাৰৰ সদস্যৰ ওপৰত নির্ভৰ কৰে। তথাপিও গ্রেট ব্রিটেইনৰ সংসদে যিকোনো বিষয়ৰ ওপৰতে সমগ্র দেশৰ কাৰণে আইন প্রণয়ন কৰিব পাৰে।

(৮) সীমিত ৰাজতন্ত্র (Limited Monarchy) ঃ গ্রেট ব্রিটেইনৰ শাসন ব্যৱস্থাত সাংবিধানিক বা সীমিত ৰাজতন্ত্র পৰিলক্ষিত হয়। গ্রেট ব্রিটেইনত এসময়ৰ অসীম ক্ষমতাৰ গৰাকী ৰাজপদৰ ক্ষমতা সংকুচিত কৰি বর্তমানৰ সংসদীয় গণতন্ত্রৰ উপযোগী কৰি তোলা হৈছে। আইনগতভাৱে ৰজা-ৰাণী ৰাষ্ট্রৰ সর্বোচ ক্ষমতাৰ গৰাকী, ৰাষ্ট্রৰ সকলো কার্য ৰাজপদৰ নামতেই পৰিচালিত হয়; কিন্তু বাস্তৱ ক্ষেত্রত ৰজা বা ৰাণী হৈছে নামমাত্র মুৰব্বী। তেওঁ নিজে কোনো ক্ষমতা প্রয়োগ কৰিব নোৱাৰে। প্রধান মন্ত্রী সমন্বিতে মন্ত্রীসভাখনে ৰজা বা ৰাণীৰ হৈ সকলোখিনি ক্ষমতা ভোগ কৰে। সেয়েহে কোৱা হয় যে ইংলেণ্ডৰ ৰজাই কোনো ভুল নকৰে। গতিকে ব্রিটিছ ৰাজপদে ৰাজত্বহে কৰে, শাসন নকৰে। এই ৰজা বা ৰাণীৰ পদ বংশানুক্রমিক।

(৯) ক্ষমতাৰ পৃথকীকৰণ নীতিৰ প্রয়োগ নহয় (Non Application of the Doctrine of Separation of Powers) ঃ ব্রিটেইনৰ চৰকাৰ ব্যৱস্থা ক্ষমতাৰ পৃথকীকৰণ নীতিৰ ভিত্তিত প্রতিষ্ঠিত নহয়। ব্রিটেইনৰ শাসন ব্যৱস্থা সংসদীয় প্রকৃতিৰ হোৱাৰ পৰিপ্রেক্ষিতত কার্যপালিকা আৰু আইনসভাৰ মাজত প্রত্যক্ষ সম্পর্ক বিদ্যমান। চৰকাৰৰ প্রতিটো অংগই ক্রমে আন দুটা অংগৰ কার্যকলাপ নিয়ন্ত্রণ কৰে তথা প্রভাৱ পেলায়। উদাহৰণস্বৰূপে ব্রিটেইনৰ ৰজা বা ৰাণী ৰাষ্ট্রৰ কার্যপালিকাৰ মুৰব্বী হোৱাৰ লগতে একেসময়তে আইন সভাৰো অবিচ্ছেদ্য অংগ।

কাৰণ ব্ৰিটেইনৰ সংসদক ৰজা বা ৰাণী সহ সংসদ বুলি সম্বোধন কৰা হয়। একেদৰে প্ৰকৃত কাৰ্যপালিকা অ
প্ৰধান মন্ত্ৰী সমন্বিতে মন্ত্ৰীসভাৰ সদস্যসকল সংসদৰ নিম্ন সদন কমন্স সভাৰ সংখ্যাগৰিষ্ঠ দলৰ সদস্য হ'ব লাগে
সংসদৰ অধিৱেশনত মন্ত্ৰীসভাৰ সদস্যসকলে অংশগ্ৰহণ কৰিব লাগে। সংসদৰ সদস্যসকলে অৱতাৰণা ক
বিভিন্ন প্ৰশ্নৰ উত্তৰ দিবলৈ মন্ত্ৰীসকল বাধ্য। লৰ্ড চেঞ্চেলৰ সংসদৰ উচ্চ সদন হাউচ অৱ লৰ্ডছৰ সভাপতি হোৱা
লগতে মন্ত্ৰী সভাৰো এজন প্ৰভাৱশালী সদস্য। লৰ্ডছ সভাই ব্ৰিটেইনৰ সৰ্বোচ আপিল আদালত হিচাপে কাৰ্যনি
কৰে। চৰকাৰৰ বিভিন্ন অংগবিলাকৰ মাজত ঘনিষ্ঠ সম্পৰ্ক বিদ্যমান। সেয়ে চৰকাৰী কাৰ্যকলাপত ক্ষম
পৃথকীকৰণৰ পৰিৱৰ্তে দায়িত্বৰ কেন্দ্ৰীকৰণহে পৰিলক্ষিত হয়।

(১০) ৰাজকীয় প্ৰজাতন্ত্ৰ (Crowned Republic) ঃ ব্ৰিটেইনৰ চৰকাৰ ব্যৱস্থাৰ অন্যতম বৈশিষ্ট্য হ
যে ই ৰাজকীয় প্ৰজাতন্ত্ৰ, অৰ্থাৎ ৰাজতন্ত্ৰ আৰু প্ৰজাতন্ত্ৰৰ এক সংমিশ্ৰীত ৰূপ। ইয়াত এফালে বংশানুক্ৰমিকভা
ৰাষ্ট্ৰৰ মুৰব্বী আছে আৰু আনফালে ৰাষ্ট্ৰৰ ৰাজনৈতিক ক্ষমতা সাধাৰণ জনতাৰ হাতত ন্যস্ত আছে। সংবিধানিকভা
ৰাষ্ট্ৰপৰিচালনাৰ সৰ্বোচ ক্ষমতা ৰজা বা ৰাণীৰ হাতত কেন্দ্ৰীভূত থাকিলেও বাস্তৱক্ষেত্ৰত ৰজাই শাসন নকৰে, ব
ৰাজত্বহে কৰে। ৰজাৰ এই ক্ষমতাসমূহ প্ৰকৃতাৰ্থত জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধিৰে গঠিত কমন্স সভা
সংখ্যাগৰিষ্ঠ দলৰ সদস্যবৰ্গৰে গঠিত প্ৰধান মন্ত্ৰীৰ নেতৃত্বাধীন মন্ত্ৰীসভাইহে উপভোগ কৰে। মন্ত্ৰীসভাৰ সদস্যসক
সম্পাদন কৰা সকলো কাম-কাজৰ কাৰণে কমন্স সভাৰ ওচৰত জবাবদিহি হ'ব লাগে। এনেদৰেই ব্ৰিটেইন
ৰাজতন্ত্ৰ আৰু প্ৰজাতন্ত্ৰৰ এক অপূৰ্ব সংমিশ্ৰণ ঘটিছে আৰু সেয়েহে গ্ৰেট ব্ৰিটেইনৰ শাসন ব্যৱস্থাক ৰাজকী
প্ৰজাতন্ত্ৰ বুলি অভিহিত কৰা হয়।

(১১) দ্বি-দলীয় ব্যৱস্থা (Biparty System) ঃ দ্বি-দলীয় ব্যৱস্থা ব্ৰিটেইনৰ শাসন পদ্ধতিৰ অন্যত
প্ৰধান বৈশিষ্ট্য। ব্ৰিটেইনৰ সংসদীয় গণতন্ত্ৰৰ কৃতকাৰ্যতাৰ মূলতেই হৈছে ইয়াৰ দ্বি-দলীয় ৰাজনৈতিক ব্যৱস্থ
সংবিধান বহিৰ্ভূত সংগঠনহে। প্ৰচলিত প্ৰথা দেশাচাৰৰ ওপৰত ভিত্তি কৰিহে ব্ৰিটেইনত দ্বি-দলীয় ব্যৱস্থাৰ উদ্ভ
হৈছে। এই ৰাজনৈতিক দল দুটা হৈছে— ৰক্ষণশীল দল আৰু বনুৱা দল জন্মলগ্নৰে পৰাই তুলনামূলকভাৱে সমান
শক্তিশালী এই দল দুটাই ব্ৰিটেইনৰ সংসদীয় গণতন্ত্ৰক এক সুস্থিৰ আৰু গতিশীল ৰূপ প্ৰদান কৰিছে।

(১২) শক্তিশালী বিৰোধী ৰাজনৈতিক দলৰ অৱস্থিতি (Existence of Strong Opposition) ঃ শক্তিশালী বিৰোধী ৰাজনৈতিক দলৰ অৱস্থিতি ব্ৰিটিছ ৰাজনৈতিক পদ্ধতিৰ অন্যতম প্ৰধান বৈশিষ্ট্য। ব্ৰিটেইনৰ সংসদীয় চৰকাৰ ব্যৱস্থাত সংসদৰ নিম্ন সদন কমন্স সভাৰ সাধাৰণ নিৰ্বাচনত সংখ্যাগৰিষ্ঠ আসন লাভ কৰা ৰাজনৈতিক দলটোৰ স্বীকৃতি প্ৰাপ্ত নেতাজনৰ নেতৃত্বত মন্ত্ৰীসভা অৰ্থাৎ চৰকাৰ গঠন কৰা হয় আৰু আনটো দলে বিৰোধী দলৰ ভূমিকাত অৱতীৰ্ণ হয়। এক সু-সংগঠিত আৰু শক্তিশালী বিৰোধী ৰাজনৈতিক দলে ব্ৰিটেইনৰ সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাক অধিক স্বচ্ছতা প্ৰদান কৰাৰ উপৰি নাগৰিকৰ অধিকাৰসমূহৰ ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰতো অৱদান যোগায়।

(১৩) দ্বি-সদন বিধানমণ্ডলৰ ব্যৱস্থা (Bicameral Legislature) ঃ ব্ৰিটেইনত দ্বিসদনযুক্ত আইন সভাৰ ব্যৱস্থা আছে। উচ্চ সদন হৈছে লৰ্ডছ সভা আৰু নিম্ন সদন কমন্স সভা। লৰ্ডছ সভাৰ সদস্য সংখ্যা ৬৯৯ জন। এই সদস্যসকল নিৰ্বাচিত হোৱাৰ পৰিৱৰ্তে মনোনীতহে। আনহাতে নিম্ন সদন কমন্স সভাৰ সদস্য সংখ্যা ৬৫৯ জন। এই সদস্যসকলক ব্ৰিটিছ নাগৰিকসকলে প্ৰত্যক্ষভাৱে নিৰ্বাচন কৰে। উচ্চ সদনৰ তুলনাত নিম্ন সদন অধিক ক্ষমতাশালী। ৰাষ্ট্ৰৰ আইনপ্ৰণয়নিক আৰু প্ৰশাসনীয় কাৰ্যকলাপসমূহক কমন্স সভাইহে নিয়ন্ত্ৰণ কৰে। এই ক্ষেত্ৰত লৰ্ডছ সভাৰ বিশেষ ক্ষমতা নাথাকে।

(১৪) অৱৰোধ আৰু সন্তুলনৰ নীতি (Principles of Checks and Balances) ঃ ব্রিটেইনৰ শাসন ব্যৱস্থাত পাৰস্পৰিক অৱৰোধন (Checks) সন্তুলন (Balance) নীতিৰ ওপৰত প্রতিষ্ঠিত। উদাহৰণস্বৰূপে, সংসদত গৃহীত কোনো এখন বিল বা বিধেয়ক ৰজা বা ৰাণীৰ স্বাক্ষৰ অবিহনে আইনত পৰিণত হ'ব নোৱাৰে। চৰকাৰৰ কার্যকলাপৰ বাবে মন্ত্রীসভাখন কমন্স সভাৰ ওচৰত জবাবদিহি হ'ব লাগে। কমন্স সভাৰ আস্থা হেৰুৱালে গোটেই মন্ত্রসভাখনৰেই পতন ঘটে। একেদৰে প্রধান মন্ত্রীৰ পৰামর্শক্রমে ৰজা বা ৰাণীয়ে কমন্স সভাখনৰ কার্যকলাপ শেষ হোৱাৰ পূর্বে ভংগ কৰি দিব পাৰে।

(১৫) ন্যায়িক সমীক্ষা ক্ষমতাৰ অভাৱ (Lack of Judicial Review Power) ঃ বিচাৰ বিভাগৰ আন এক বৈশিষ্ট্য হৈছে ইংলেণ্ডৰ আদালতৰ ন্যায়িক সমীক্ষাৰ ক্ষমতা নাই। কাৰণ ইংলেণ্ডত সংসদীয় সার্বভৌমত্বহে আছে। গতিকে সংসদ্দ যিকোনো বিষয়ত আইন-প্রণয়ন কৰিব পাৰে। সংসদে বিধিমতে প্রণয়ন কৰা আইন ইংলেণ্ডৰ কোনো আদালততে অবৈধ বুলি ঘোষণা কৰিব নোৱাৰে। আদালতে আইনৰ ব্যাখ্যা আগবঢ়াব পাৰে, কিন্তু কোনো আইনৰ বৈধ্যতাৰ বিচাৰ কৰিব নোৱাৰে।